**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 23-02-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। খানাপাৰাত আয়োজিত চৰচ মেলাত আজি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত কাৰ্যসূচী।

২। স্বচ্ছ ভাৰত অভিযানৰ অধীনত গুৱাহাটীৰ লতাশিল খেলপথাৰত সেৱা সংকল্প সপ্তাহ কাৰ্যসূচী ৰূপায়ণ।

৩। লণ্ডনত অনুষ্ঠিত ৭৯ সংখ্যক ব্ৰিটিছ্ একাডেমী চলচ্চিত্ৰ বঁটা - বাফ্টাত মণিপুৰী ভাষাৰ হাস্যব্যঙ্গ ছবি বুঙলৈ শ্ৰেষ্ঠ শিশু আৰু পাৰিবাৰিক ছবিৰ শিতানত শ্ৰেষ্ঠ ছবিৰ বঁটা।

আৰু

৪। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত জিম্বাব'ৱে আৰু ৱেষ্ট ইণ্ডিজ মুখামুখি।

০০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে আয়োজন কৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলাত আজি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। বিয়লি তিনি বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অংশ ল'ব। কালিৰেপৰা অনুষ্ঠিত এই মেলাত গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা শিল্পীসকলে নিৰ্মাণ কৰা সামগ্ৰী প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। এই মেলাত বিভিন্ন ৰাজ্যৰ ২৫০খনৰো অধিক বিপণীয়ে অংশ লৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উপৰি মহাৰাষ্ট্ৰ, ছত্তিশগড়, গোৱা, ঝাৰখণ্ড, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পঞ্জাৱ, হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্যৰ হস্তশিল্প আৰু হস্ততাঁত সামগ্ৰী এই বিপণীসমূহত প্ৰদৰ্শন কৰা হৈছে। আজিৰেপৰা আটাইকেইটা দিনতে বিভিন্ন ক্ৰীড়া, পৰম্পৰাগত খেল, ফটোগ্ৰাফী, পুষ্পসজ্জা আৰু ৰন্ধন প্ৰকৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তদুপৰি প্ৰতি সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। চৰচ মেলাই ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ সুচল কৰিব বুলি আশা কৰা হৈছে। ৮ মাৰ্চত এই মেলাৰ সামৰণি পৰিব।

০০০০০০০

স্বচ্ছ ভাৰত অভিযানৰ অধীনত আজি গুৱাহাটীৰ লতাশিল খেলপথাৰত সেৱা সংকল্প সপ্তাহ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। লোকসেৱা ভৱনৰ উদ্যোগত আৰু গুৱাহাটী পৌৰ নিগমৰ সহযোগত আয়োজিত এই কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰে। অনুষ্ঠানত কেইবাগৰাকীও চাফাই কৰ্মীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে অনাগত সময়ত স্বচ্ছতাৰ

ক্ষেত্ৰত গুৱাহাটী মহানগৰী দেশৰ ভিতৰতে প্ৰথম স্থানত উপনীত হ’ব বুলি আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া উপস্থিত থাকে।

0000000

লণ্ডনত অনুষ্ঠিত ৭৯ সংখ্যক ব্ৰিটিছ একাডেমী চলচ্চিত্ৰ বঁটা - বাফ্‌টাত মণিপুৰী ভাষাৰ হাস্যব্যঙ্গ ছবি **বুঙে** শ্ৰেষ্ঠ শিশু আৰু পাৰিবাৰিক ছবিৰ শিতানত শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰিছে। ভাৰতীয় চিনেমা, বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ছবিৰ বাবে এই সন্মান গুৰুত্বপূৰ্ণ মাইলৰ খুটি হিচাপে বিবেচিত হৈছে। ফাৰহান আখটাৰৰ এক্সেল এণ্টাৰটেইনমেণ্টৰ প্ৰযোজিত **বুং** হৈছে লক্ষ্মীপ্ৰিয়া দেৱীৰ পৰিচালনাৰ প্ৰথমখন ছবি। শিশু অভিনেতা গুগুন কিপজেন আৰু বালা হিজামে অভিনয় কৰা এই মণিপুৰী ছবিখনে কেইবাখনো আন্তঃৰাষ্ট্ৰীয় ছবিক পাছ পেলাই এই বঁটা লাভ কৰে। বুং শব্দৰ অৰ্থ হৈছে মণিপুৰী ভাষাত সৰু ল’ৰা। ছবিখনত সামাজিক আৰু ৰাজনৈতিকভাৱে অস্থিৰ পৰিস্থিতিত এটা সৰু ল’ৰাৰ কাহিনীক চিত্ৰায়ন কৰা হৈছে। এক্সন থ্ৰিলাৰ **ৱান বেটেল আফ্‌টাৰ এনাডাৰে** শ্ৰেষ্ঠ ছবিকে ধৰি ছটা বঁটা লাভ কৰিছে।

00000000

ৰাজ্যৰ বন বিভাগে গোলাঘাট জিলাৰ নেঘেৰীবিলত পুনৰ উচ্ছেদ চলোৱাৰ বাবে ৫৯ টা পৰিয়াললৈ বাসগৃহ খালী কৰিবলৈ জাননী জাৰি কৰিছে। যোৱা বছৰৰ ৮ আগষ্টত বন বিভাগে নেঘেৰীবিলৰ ২০৫ টা পৰিয়ালক উচ্ছেদৰ জাননী জাৰি কৰিছিল যদিও নেঘেৰীবিলৰ ৫৯ টা আৰু উৰিয়ামঘাটৰ ১১ টা পৰিয়ালে স্থগিতাদেশৰ বাবে আবেদন দাখিল কৰিছিল। উচ্চতম ন্যায়ালয়ে যোৱা ১০ ফেব্ৰুৱাৰীত গোচৰটোৰ শুনানী গ্ৰহণ কৰি বন বিভাগৰ সপক্ষে ৰায়দান কৰে। সেই অনুসৰি, বন বিভাগৰ গোলাঘাট বন সংমণ্ডলে যোৱা ২১ ফেব্ৰুৱাৰীত অঞ্চলটোৰ দখলীকৃত ভূমি সাদিনৰ ভিতৰত খালী কৰাৰ বাবে জাননী জাৰি কৰিছে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাৰ সাদিনৰ ভিতৰত এই পৰিয়ালসমূহে পুনৰ আবেদন নজনালে বন বিভাগে সেই স্থানত উচ্ছেদ চলাব বুলি জাননীত কোৱা হৈছে।

0000000

কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেঞ্চন মন্ত্ৰালয়ৰ অধীনৰ পেঞ্চন আৰু পেঞ্চনাৰ কল্যাণ বিভাগে গুৱাহাটীত আজি বিয়লি ২ বজাৰ পৰা এলানি কৰ্মশালাৰ আয়োজন কৰিছে। খানাপাৰাৰ অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এই অনুষ্ঠানত অৱসৰৰ পূৰ্বে পৰামৰ্শ কৰ্মশালা, পেঞ্চনাৰৰ সজাগতা কাৰ্যসূচী আৰু বেংক কৰ্মচাৰীৰ সজাগতা কাৰ্যসূচী শীৰ্ষক কৰ্মশালা অনুষ্ঠিত হ’ব। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী ড° জীতেন্দ্ৰ সিং উপস্থিত থাকিব।

0000000

আদালতত বিচাৰাধীন গোচৰ মীমাংসাৰ সুবিধা প্ৰদানৰ বাবে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৰাষ্ট্ৰৰ বাবে মধ্যস্থতা দ্বিতীয় পৰ্যায়ৰ অভিযান অব্যাহত আছে। যোৱা ২ জানুৱাৰীত আৰম্ভ হোৱা এই অভিযান ৩১ মাৰ্চলৈ অব্যাহত থাকিব। এই অভিযানৰ জৰিয়তে আদালতত বহুদিন ধৰি চলি থকা বিভিন্ন ধৰণৰ গোচৰ সহজে আৰু দ্ৰুতভাৱে মীমাংসা কৰাৰ ব্যৱস্থা লোৱা হৈছে। মধ্যস্থতাৰ জৰিয়তে পাৰস্পৰিক বুজাবুজিৰে গোচৰসমূহ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। অভিযানৰ অধীনত বিবাহ বিচ্ছেদ, পাৰিবাৰিক বিবাদ, ঘৰুৱা হিংসা,

চেক অনাদায়, পথ দুৰ্ঘটনাৰ ক্ষতিপূৰণ, ভূমি-সম্পত্তি শ্ৰম আৰু গ্ৰাহক অধিকাৰ সংক্ৰান্তীয় গোচৰ মীমাংসাৰ ব্যৱস্থা আছে। ইচ্ছুক ব্যক্তিসকলে নিজৰ অধিবক্তাৰ সহায়ত অথবা পোনপটীয়াকৈ জিলা আইনসেৱা প্ৰাধিকাৰীৰ সৈতে যোগাযোগ কৰি এই সুবিধা লাভ কৰিব পাৰিব। গোচৰ মীমাংসাৰ বাবে জিলাখনত পাঁচগৰাকী মধ্যস্থতাকাৰী অধিবক্তা নিযুক্তি দিয়া হৈছে বুলি জানিব পৰা গৈছে।

0000000

ৰাজ্যজুৰি চলি থকা মাদক দ্ৰব্য বিৰোধী অভিযানৰ সময়তে হাইলাকান্দি আৰক্ষীয়ে কালি অভিযান চলাই বুজন পৰিমাণৰ য়াবা টেবলেট জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ সূত্ৰই জনোৱা মতে কালি বাওৰাঘাট অঞ্চলত অভিযান চলাই সন্দেহজনকভাৱে চলাচল কৰি থকা এখন ব্যক্তিগত বাহন আটক কৰে। বাহনখনৰ ভিতৰত বিশেষভাৱে নিৰ্মাণ কৰা গোপন চেম্বাৰৰ ভিতৰত ১২ পেকেট য়াবা টেবলেট উদ্ধাৰ কৰে। জব্দকৃত মাদক দ্ৰব্যখিনিৰ আনুমানিক বজাৰ মূল্য ৫ কোটি টকা। আটক কৰা দুগৰাকী সৰবৰাহকাৰী মিজোৰামৰ বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

0000000

অসমক বিশ্বজুৰি বিনিয়োগকাৰীসকলৰ নিৰ্ভয়যোগ্য কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি বিভিন্ন প্ৰতিষ্ঠানৰ বিনিয়োগকাৰীসকলৰ সৈতে আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত বিনিয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে তেওঁলোকক অভিনন্দন জনোৱাৰ উপৰি এইক্ষেত্ৰত সুযোগ, সম্ভাৱনা সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে বিনিয়োগকাৰীসকলক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। শ্ৰী বৰাই ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অন্তিম কিস্তি প্ৰদানৰো পৰ্যালোচনা কৰে।

0000000

মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত যোৰহাট জিলাৰ মৰিয়নিত কাইলৈ মহিলা হিতাধিকাৰীসকলক ধন বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কাইলৈ সমষ্টিটোৰ ২৮ হাজাৰ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব। এই অনুষ্ঠানৰ বাবে প্ৰশাসনে মহিলাসকলক বিশেষভাৱে সাজু কৰি তোলাৰ লগতে নিৰাপত্তা ব্যৱস্থাকে ধৰি সকলো প্ৰস্তুতি গ্ৰহণ কৰিছে।

0000000

প্ৰসিদ্ধ তবলাবাদক, গুৱাহাটী সংগীত কাননৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পৰেশ চন্দ্ৰ মিশ্ৰক চলিত বছৰৰ জীৱন শিল্পী আদ্য শৰ্মা বঁটা প্ৰদান কৰা হৈছে। নলবাৰী আৰ্ট স্কুলৰ নবীন ৰশ্মি তামুলী সোঁৱৰণী প্ৰেক্ষাগৃহত কালি আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। বঁটাত আছে গামোচা, চেলেং, স্মাৰক, সম্বৰ্ধনা পত্ৰ, নগদ ধন ইত্যাদি। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অসম নাট্য সন্মিলনৰ সভাপতি, বিশিষ্ট নাট্যকাৰ জীতেন শৰ্মা আৰু নলবাৰী এম এন চি বালিকা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° কৃষ্ণ চন্দ্ৰ গৌড়ে আদ্য শৰ্মাৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত বিশদভাৱে আলোকপাত কৰে। ইয়াৰ আগেয়ে পুৱা গুৰুজী আদ্য শৰ্মাৰ প্ৰতিমূৰ্তিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

0000000

সামাজিক সাংস্কৃতিক অনুষ্ঠান জ্যোতিৰূপাৰ অষ্টাদশ বাৰ্ষিক সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱা নাট সমাৰোহ কাইলৈৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। প্ৰতি সন্ধিয়া ৬ বজাৰ পৰা নাটসমূহ পৰিৱেশন কৰা হ'ব। উদ্বোধনী অনুষ্ঠানৰ পাছতে মাণিক ৰয় পৰিচালিত 'মধুমক্ষিকা' নাটখন মঞ্চস্থ কৰা হ'ব। ২৫ ফেব্ৰুৱাৰীত জ্যোতি নাৰায়ণ নাথৰ ৰচনা আৰু পৰিচালনাৰে সোণালী বেলি নাটখন মঞ্চস্থ কৰা হ'ব। ২৬ ফেব্ৰুৱাৰীত উজলা বৰ্মনৰ কাহিনীত অম্লানদীপ শইকীয়াই নাট্যৰূপ দিয়া 'বুকুৰ সৰু চৰাই' নাটখন মঞ্চস্থ কৰা হ'ব।

০০০০০০০

ঐতিহাসিক বৰপেটা সত্ৰত ২ মাৰ্চৰ পৰা পাঁচদিনীয়াকৈ শ্ৰীশ্ৰীকৃষ্ণৰ দৌল যাত্ৰা মহোৎসৱ উদযাপন কৰা হৈছে। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা গোন্ধ যাত্ৰা। সেইদিনা নিত্য-নৈমিত্তিক প্ৰসংগ আৰু নক্ষত্ৰ গণনা অনুসৰি গোঁসাইক মণিকূটৰ পৰা চোতাললৈ উলিয়াই অনা হ'ব। তাৰ পাছতে অধিবাস সম্পন্ন হ'ব। মহোৎসৱৰ শেষৰ দিনা ৬ মাৰ্চত সুঁৱৰী উৎসৱ অনুষ্ঠিত হ'ব। সেইদিনা পুৱা বাৰাদি সত্ৰৰ পৰা বৰপেটা সত্ৰলৈ ঘুণুচা গোঁসাই আৰম্ভ হ'ব। পাছত গোঁসাইক বৰপেটা সত্ৰৰ দক্ষিণ দিশে অৱস্থিত কলবাৰী সত্ৰলৈ হেকেটা খুৱাবলৈ নিয়া হ'ব আৰু ঘূৰি অহাৰ পাছত বাঁহ ভগা পৰ্ব অনুষ্ঠিত হ'ব। পৰম্পৰাগত নিয়মেৰে দৌল গীত পৰিৱেশনৰ মাজেৰে গোঁসাইক পুনৰ মণিকূট গৃহত প্ৰৱেশ কৰোৱাৰ লগে লগে দৌল যাত্ৰাৰ সামৰণি পৰিব।

০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত জিম্বাব'ৱে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ এখন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ হাতত ৭৬ ৰানত পৰাস্ত হয়।

ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ আন এখন খেলত ইংলেণ্ডে শ্ৰীলংকাক ৫১ ৰানত পৰাস্ত কৰে।

০০০০০০০

**সমাপ্ত**